# গোৱালপাৰা মহাবিদ্যালয়ত জি-২০ ৱাই-২০ শীৰ্ষ সন্মিলনৰ প্ৰাক্ কাৰ্যসূচী

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২২ জানুৱাৰী ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্যোগত আৰু গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত কাইলৈৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ জি-২০, ৱাই-২০ৰ শীৰ্ষ সন্মিলনৰ প্ৰাক্ কাৰ্যসূচী উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। কাৰ্যসূচী অনুসৰি ২৩ জানুৱাৰীৰ পুৱা ৯ বজাত উদ্বোধনী অনুষ্ঠানত ২০ খন দেশৰ ২০ খন পতাকা উত্তোলন কৰা হ'ব। পতাকা উত্তোলন কাৰ্যসূচী মুকলি কৰিব গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। পুৱা ১০ বজাত জি-২০ আৰু ৱাই-২০ শীৰ্ষক সন্মিলন উদ্বোধন কৰিব গোৱালপাৰাৰ উপায়ুক্ত খণীন্দ্ৰ চৌধুৰীয়ে। ১০.৩০ বজাৰ পৰা 'শক্তিৰ কাৰ্যক্ষমতা বৃদ্ধিৰ বাবে ৰাষ্ট্ৰীয় অভিযান' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। উক্ত আলোচনাচক্ৰত জিলাৰ প্ৰতিখন মহাবিদ্যালয়ৰ পৰা দুগৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। ২৭ জানুৱাৰীৰ পুৱা ১০ বজাৰ পৰা 'চৌডি আৰবৰ সৈতে ভাৰতৰ শ্বেয়াৰ কৰা ভৱিষ্যৎ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনাচক্ৰত জিলাৰ প্ৰতিখন মহাবিদ্যালয়ৰ সক্ৰিয় ফেকাল্টি সদস্যসকলে অংশগ্ৰহণ কৰিব পাৰিব। ২৮ জানুৱাৰীৰ পুৱা ১০.৩০ বজাত 'জি-২০ৰ ভৱিষ্যৎ সুৰক্ষা প্ৰতিজ্ঞা আৰু সম্ভাৱনা' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক অখিল ৰঞ্জন দত্তই উক্ত বিষয়বস্তুৰ ওপৰত ভাষণ দিব। আলোচনাচক্ৰত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে আদৰণী ভাষণ দিব। আলোচনাচক্ৰত মুখ্য অতিথি হিচাপে উপায়ুক্ত খনীন্দ্ৰ চৌধুৰী উপস্থিত থাকিব। ৩০ জানুৱাৰীৰ পুৱা ১১ বজাৰ পৰা 'সবলীকৰণ হিচাপে দক্ষতা, এন ই পি-২০২০, ভাৰতৰ উন্নয়ন আৰু যুৱ প্ৰজন্ম' শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হ'ব। উক্ত কৰ্মশালাত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰিব নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃতি আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক অংকুৰজ্যোতি ভূঞাই। ১ ফেব্ৰুৱাৰীৰ পুৱা ৯ বজাত জি-২০ দেশসমূহৰ পতাকা আৰু মহান ব্যক্তিসকলৰ ফটোৰ সৈতে বিশাল চাইকেল ৰেলী উলিওৱা হ'ব। ১১ বজাৰ পৰা গোৱালপাৰা জিলাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উক্ত কুইজ প্ৰতিযোগিতা পৰিচালনা কৰিব গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী বিষয়া ড° জয়ন্ত কুমাৰ ব্ৰহ্মাই। ২ ফেব্ৰুৱাৰীত ১১ বজাত 'শান্তি নিৰ্মাণ আৰু মিলন, ইণ্ডো-চীনৰ বন্ধুত্ব আৰু বিশ্বব্যাপী নেতৃত্ব' শীৰ্ষক আলোচনাচক্ৰত সমল ব্যক্তি হিচাপে অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ আৰু অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰে বক্তৃতা প্ৰদান কৰিব। ৩ ফেব্ৰুৱাৰীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। 'ভাৰতত জনগাঁথনিগত লভ্যাংশৰ সুবিধা লাভৰ মূল চাবিকাঠী হৈছে উদ্ভাৱন আৰু প্ৰযুক্তিগত পৰিবৰ্তন' শীৰ্ষক তৰ্ক প্ৰতিযোগিতাত এটাকৈ দলত দুজনকৈ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিটো কাৰ্যসূচীত গোৱালপাৰা জিলাৰ মহাবিদ্যালয়বোৰৰ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতা কামনা কৰিছে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে।